সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

২৮ বছৰ, ৮ সংখ্যা, ৭ ফাগুন, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 8 * Date Of Publication - 20 February 2022 Rs.10.00/-

## ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়া নহয়ঃ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু



ৰঙিলী বাৰ্তাসেৱা- শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কাহিলিপাৰাস্থিত শিক্ষা সঞ্চালকৰ কাৰ্যালয়ত পৰ্যালোচনা বৈঠক সম্পন্ন কৰাৰ পাছতেই একাংশ ঠিকাভিত্তিক শিক্ষকক স্পষ্টকৈ কয় যে- ঠিকাভিত্তিক চাকৰি কেতিয়াও নিয়মীয়াকৰণ নহয়। এক আইনী প্ৰক্ৰিয়াৰ মাজেৰেহে ঠিকাভিত্তিক চাকৰি প্ৰদান কৰা হৈছে। এই চাকৰিৰ নিয়মীয়াকৰণৰ প্ৰশ্নই নুঠে। অৱশ্যে শিক্ষকসকলে ৬০ বছৰ পৰ্যন্ত শিক্ষক পদত চাকৰি কৰি থাকিব পাৰিব। শিক্ষামন্ত্ৰীৰ এই ভাষ্যৰ পাছতে ঠিকাভিত্তিক শিক্ষকসকলে এইবুলিও উল্লেখ কৰে যে মুখ্যমন্ত্ৰী তথা ৰাজ্য চৰকাৰে প্ৰায় এই সকলো শিক্ষকৰ পদ নিয়মীয়া কৰা হৈছে বুলি যি মন্তব্য প্ৰকাশ কৰিছে, তাৰ বিপৰীতে কিন্তু এতিয়াও ৪০ হাজাৰ শিক্ষকৰ পদ নিয়মীয়া হোৱা নাই। ইয়াৰ উত্তৰত শিক্ষামন্ত্ৰীগৰাকীয়ে কয়- নিয়মীয়া পদ আৰু ঠিকাভিত্তিক পদৰ মাজত যথেষ্ট পাৰ্থক্য আছে। প্ৰায় নিয়মীয়াকৰণৰ জৰিয়তে ঠিকাভিত্তিক শিক্ষকসকলক নিয়মীয়া শিক্ষকৰ দৰেই দৰমহা আৰু অন্যান্য ভাট্টা প্ৰদান কৰা হৈছে। তদুপৰি চাকৰিৰ কাৰ্যকালো ৬০ বছৰ কৰা হৈছে। ঠিকাভিত্তিক শিক্ষকক নিয়মীয়াকৰণ কৰিব বুলি পূৰ্বেই যি বক্তব্য প্ৰকাশ হৈছিল সেয়া সম্পূৰ্ণ ৰাজনৈতিক শব্দ। গতিকে কোনো কাৰণতে ঠিকাভিত্তিক শিক্ষকৰ নিয়মীয়াকৰণৰ দাবী গ্ৰাহ্য নহ'ব। শিক্ষামন্ত্ৰীগৰাকীয়ে শিক্ষা বিভাগে প'ৰ্টেলযোগে আৰম্ভ কৰা পাৰস্পৰিক বদলি (মিউচুৱেল

(দুই পৃষ্ঠাত চাওক)

### সম্পাদকীয়ঃ

## নাম সলনি

অসমত বিজেপিৰ নেতৃত্বাধীন চৰকাৰখনৰ এইবাৰৰ পদক্ষেপ ঠাইৰ নাম সলনি। শেহতীয়াকৈ অসমৰ মুখ্যমন্ত্ৰী ডক্টৰ হিমন্ত বিশ্ব শৰ্মাদেৱে ঘোষণা কৰিছে অসমৰ ঐতিহ্য আৰু সভ্যতা সংস্কৃতি ক জড়িত কৰি ঠাই বিলাকৰ নাম সলনি হ'ব। এই ক্ষেত্ৰত তেখেতে টুইট কৰিছে 'কোনো চহৰ, নগৰ বা গাঁওৰ নাম তাৰ সংস্কৃতি, ঐতিহ্য আৰু সভ্যতাৰ লগত সংগতি ৰাখি হোৱা উচিত।'এই ক্ষেত্ৰত জনসাধাৰণৰ পৰাও তেখেতে পৰামৰ্শ ল'ব। ইয়াৰ বাবে ওৱেব প'ৰ্টেলৰো ব্যৱস্থা কৰিব। ইয়াৰ পৰা জনসাধাৰণ কিমানদূৰ লাভবান হ'ব সেইটো সময়েহে ক'ব। কাৰণ এখন ঠাইৰ নাম সলনি কৰাৰ লগে লগে সাধাৰণ জনতাৰ বহুখিনি সমস্যা আহি পৰিব। নথি-পত্ৰৰ পৰা আদি কৰি সকলোবোৰ সলনি কৰিব লাগিব। ইতিমধ্যে বহু কেইখন ঠাইত এই প্ৰক্ৰিয়াটো আৰম্ভ হৈছে। উত্তৰ প্ৰদেশ ৰ মোগলচৰাই খ্যাত জংচনটোৰ নাম সলনি কৰি পণ্ডিত দীনদয়াল উপাধ্যায় ৰেলৱে জংচন ৰখা হ'ল। এলাহাবাদৰ নাম প্ৰয়াগৰাজ, গুৰগাৱঁৰ নাম গুৰুগ্ৰাম, ফইজাবাদৰ নামৰ সলনি অযোধ্যা ইত্যাদি বহুতো। ইয়াৰে পদাংক অনুসৰণ কৰিছে আমাৰ মুখ্যমন্ত্ৰী গৰাকীয়ে। ইয়াৰ লগে লগে আমাৰ জনসাধাৰণৰ মাজত এক বিৰ্তকৰ সৃষ্টি হৈছে। পাণ্ডুৰপৰা কামাখ্যালৈ যোৱা পথটোৰ নাম 'স্বামী মুক্তানন্দ সৰস্বতী পথ' নামেৰে নামকৰণ হ'ব বুলি চিন্তা চৰ্চা কৰি থকাৰ কথা ভাবিছে। এইখিনিতে এটা কথা ক'বই লাগিব যে নাম সলনি কৰাৰ লগত লাগি আমাৰ মানুহৰ যাতে শান্তি শৃংখলা ব্যাহত হোৱাৰ কোনো কাম নকৰে তাৰ প্ৰতি সদায় লক্ষ্য ৰখা উচিত। ই এটা ইতিবাচক চিন্তা হোৱাৰ আশাৰে বাট চাই ৰ'লো।


## মহাৰাষ্ট্ৰত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ শংকৰদেৱৰ নামঘৰ সাংস্কৃতিক কেন্দ্ৰৰ আধাৰশিলা স্থাপন




ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই মহাৰাষ্ট্ৰৰ ৰাইগড় জিলাৰ কৰজত অঞ্চলৰ পোচাৰি আৰু টাওৰে গাঁৱৰ ৰাইজৰ উদ্যোগত তথা মুম্বাইৰ প্ৰবাসী অসমীয়া সমাজৰ সহযোগত গাঁওখনত শ্ৰীশংকৰদেৱৰ নামঘৰ আৰু সামাজিক-সাংস্কৃতিক কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্যৰ বাহিৰত থাকিও নিজৰ শিপা পাহৰি নোযোৱা এইসকলৰ দৰে শ্ৰদ্ধেয় ব্যক্তিৰ প্ৰচেষ্টাতেই যে এদিন অসমীয়া সংস্কৃতিয়ে জগত সভাত স্ব-গৰিমাৰে উজলি উঠিবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এই নামঘৰ নিৰ্মাণৰ বাবে আৰ্থিক অনুদানকে ধৰি সকলো ধৰণৰ সহযোগিতা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। লগতে নামঘৰৰ সমীপতে মা কামাখ্যা দেৱীৰ এটি মন্দিৰ নিৰ্মাণৰ

(দুই পৃষ্ঠাত চাওক)

## ভাৰতত ২২,২৭০ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত



ৰঙিলী বাৰ্তাসেৱা- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত যোৱা২৪ ঘণ্টাত ২২,২৭০ জন লোক কৰ'নাত আক্ৰান্ত হৈছে। ৩২৫ জন লোকৰ নতুনকৈ কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হৈছে। যাৰ ফলত ভাৰতত কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা ৫,১১,২৩০ জনলৈ বৃদ্ধি হৈছে। আনহাতে ভাৰতত সক্ৰিয় কেছলোড ২, ৫৩, ৭৩৯ লৈ হ্ৰাস পাইছে।

# দৰিদ্ৰতাকো নেওচি নেপালৰ কাঠমাণ্ডুত সোণৰ পদক অৰ্জন

ৰঙিলী বাৰ্তাসেৱা- নেপালৰ কাঠমাণ্ডুত অনুস্থিত হোৱা ইন্দো-নেপাল ৰুৰেল গেমছ ২০২১-২২ৰ কিক্-বক্সিং শাখাত প্ৰতিদ্দিতা কৰি সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয় ওদালগুৰি জিলাৰ ভবেশ কছাৰীয়ে। ওদালগুৰি জিলাৰ পশ্চিম ফুতুকিবাৰি গাওঁৰ নিবাসী মোহন কছাৰী আৰু গুনেশ্বৰি কছাৰীৰ সুসন্তান ভবেশ কছাৰীয়ে দৰিদ্ৰতাকো নেওচি এই সাফল্য লাভ কৰিবলৈ সক্ষম হয়। তেওঁৰ পিতৃ হৈছে এগৰাকী ব্ৰইলাৰ মাংসৰ দোকানী আৰু মাতৃয়ে দৈনিক চাহ বাগিছাত কাম কৰে। অৰ্থিক অভাৱৰ বাবে তেওঁ নেপাললৈ খেলিব যোৱাৰ আগেয়ে টংলা চহৰৰ দোকানে দোকানে গৈ আৰ্থিক সহায় বিচাৰিব লগিয়া হৈছিল বুলি সংবাদদাতাক জানিবলৈ দিয়ে। তেওঁ মাতৃয়ে এই সাফল্যৰ বাবে শুভাকাংশী আৰু আৰ্থিক ভাবে সহায় কৰা সকলোকে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে চৰকাৰৰ পৰাও আগন্তক দিনত সহায় সহযোগিতা কামনা কৰিছে। উল্লেখযোগ্য যে দৰং জিলাৰ সদৰ মংগুলদৈৰ পৰা এক শুভাযাত্ৰাৰে কলাইগাওঁ অঞ্চলিক নিখিল বড়ো ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ লৈ অনা হয় আৰু এই কাৰ্যালয়তে তেওঁক উষ্ম আদৰণী জনোৱা হয়। আদৰণী অনুস্থানটোৰ আত ধৰে কলাইগাওঁ অঞ্চলিক নিখিল বড়ো ছাত্ৰ সন্থাৰ সধাৰণ সম্পাদক কলয়্যান বড়োৱে আৰু আদৰণী জনায় সভাপতি ফিৰুচ কান্ত বসুমতাৰীয়ে লগতে তেওঁ আগন্তোক দিনত সকলো ধৰণৰ সহায় সহযোগিতা কৰাৰ আশা প্ৰদান কৰে।





# কবি প্ৰভাত হাজৰিকাৰ বিয়োগত শোকসভা

ৰঙিলী বাৰ্তাসেৱা- সাহিত্যৰথী সাহিত্য সভাৰ প্ৰতিষ্ঠাকালৰ সদস্য সাহিত্যপ্ৰেমী প্ৰভাত হাজৰিকাৰ মৃত্যুত আজি পাঞ্জাবাৰীত স্মৃতিচাৰণ কৰি এখন শোকসভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতেই প্ৰয়াত জনলৈ শ্ৰদ্ধা নিৱেদন কৰি বন্তি প্ৰজ্জ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰে সভাপতি অতুল তামুলীয়ে। উপস্থিত সকলেও পুষ্পাঞ্জলি অৰ্পণ কৰে। সভাই প্ৰয়াত প্ৰভাত হাজৰিকাৰ লগতে সদ্যপ্ৰয়াত সংগীত জগতৰ সুৰ সম্ৰাজ্ঞী ভাৰত ৰত্ন লতা মঙ্গেশকৰ, বাপ্পী লাহিড়ী, অপূৰ্ব বেজবৰুৱা আদিৰ চিৰ শান্তি কামনা কৰি এক মিনিট মৌন প্ৰাৰ্থনা জনায়। সম্পাদক ডাঃ উপেন কাকতিয়ে উদ্দেশ্য বাখ্যা কৰা সভাখনত সভাপতি অতুল তামুলীয়ে প্ৰভাত হাজৰিকাৰ জীৱন আৰু কৰ্মৰ আভাস দিয়ে। বিশিষ্ট কবি দেবপ্ৰসাদ তালুকদাৰে হাজৰিকাৰ সান্নিধ্যৰ আভাস দিয়ে। সভাত উপ সভানেত্ৰী ড° পাৰুল গোস্বামী, সম্পাদক কাকতি, উপদেষ্টা দুৰ্গেশ্বৰ ঠাকুৰীয়া, মৃদু গোস্বামী, স্বপ্নালী নাথ, সমীজান বেগম, ৰাজেন ভট্টাচাৰ্য আদিয়েও প্ৰয়াতজনক শ্ৰদ্ধাৰে স্মৰণ কৰে। সভাত হাজৰিকাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে সভাই সমুহীয়াকৈ আন এটা শোক প্ৰস্তাৱো গ্ৰহণ কৰে। সভাই শাখাৰ সদস্য মফিজুদ্দিন আহমদ আৰু দুলাল ৰায়ৰ আশু আৰোগ্য কামনা কৰিও এটা প্ৰস্তাৱ গ্ৰহণ কৰে।

# বাটমাৰী জ্ঞানদীপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণি আৰু বিদায় সভা সম্পন্ন

ৰঙিলী বাৰ্তাসেৱা- নগাঁও জিলাৰ বটদ্ৰৱাৰ সমীপৱৰ্তী বাটমাৰী জ্ঞানদীপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ নৱাগত আদৰণি আৰু দশম, দ্বাদশ শ্ৰেণীৰ বিদায় সভা সম্পন্ন হয়। বাটমাৰী জ্ঞানদীপ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মোদ্দাবিৰ হুছেইন লস্কৰৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটিত উদেশ্যে ব্যখ্যা কৰে বিদ্যালয় খনৰ অধ্যক্ষ আক্ৰাম হুছেইনে। সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি সাংবাদিক দিব্যজ্যোতি বৰুৱাই "ছাত্ৰ-ছাত্ৰীসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হ'বলৈ আহ্বান জনোৱাৰ লগতে বৰ্তমান অসমৰ জাতীয় জীৱনলৈ বহু সমস্যাই জাতিটোৰলৈ সংকট নামি আহিছে। শিক্ষাৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীসকলে জাতীয় সমস্যা সমাধানৰ বাবেও গুৰুত্ব দিব লাগিব" বুলি মন্তব্য প্ৰদান কৰে। ছাত্ৰী আবিদা খাতুনে আঁত ধৰা অনুষ্ঠানটিত বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক আব্দুল আজিজ, ধূপগুৰি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ লক্ষ্যধৰ তালুকদাৰ, ৰাব্বুল আলম, ৰেজাউল আহমেদ, আনোৱাৰ হুচেইন, শ্বৰিফুল ইছলাম, চাদিকুল ইছলাম, মঞ্জুৱাৰা জামান, সাহাব উদ্দিনকে আদি কৰি ছাত্ৰ ছাত্ৰী, অভিভাৱক অভিভাবিকা সহ পাঁচ শতাধিক লোক উপস্থিত থাকে।

# ১৫-১৮ বছৰৰ ২ কোটিৰো অধিক শিশুক কোভিড-১৯ৰ বিৰুদ্ধে সম্পূৰ্ণ টিকাকৰণ




ৰঙিলী বাৰ্তাসেৱা- কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী মনসুখ মাণ্ডৱিয়াই টুইট কৰি কয় যে ১৫ ৰ পৰা ১৮ বছৰ বয়সৰ দুই কোটিতকৈও অধিক শিশুক কোভিড-১৯ৰ বিৰুদ্ধে সম্পূৰ্ণৰূপে টিকাকৰণ কৰা হৈছে। তেওঁ লগতে কয়, "যুৱ ভাৰতে বিশ্বৰ সৰ্ববৃহৎ টিকাকৰণ অভিযানক পৰৱৰ্তী পৰ্যায়লৈ লৈ গৈছে!" চৰকাৰে ৩ জানুৱাৰীত ১৫ ৰ পৰা ১৮বয়সৰ শিশুসকলৰ বাবে কোভিড-১৯ ভেকছিনৰ পালি প্ৰদান কৰা আৰম্ভ কৰিছিল।

# আৰক্ষী আৰু শিক্ষকৰ বাবে শিশুৰ অধিকাৰ সম্পৰ্কীয় প্ৰশিক্ষণ

ৰঙিলী বাৰ্তাসেৱা- অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ উদ্যোগত শোণিতপুৰ জিলা গ্ৰন্থাগাৰ প্ৰেক্ষাগৃহত শোণিতপুৰ, ওদালগুৰি আৰু বিশ্বনাথ জিলাৰ আৰক্ষী বিষয়া আৰু শিক্ষকৰ বাবে শিশুৰ অধিকাৰ সম্পৰ্কীয় বিষয়ত এখনি প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে শোণিতপুৰ জিলাৰ উপায়ুক্ত ভুপেশ চন্দ্ৰ দাস, অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ সদস্য ড° পিলু হাজৰিকা, ৰূপা হাজৰিকা আৰু সমল ব্যক্তি ৰাজীৱ দত্ত। আয়োগৰ পৰামৰ্শদাতা দিব্যজ্যোতি শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত শিশুৰ অধিকাৰ আইন বিষয়ত আয়োগৰ সদস্য ড° পিলু হাজৰিকাই সমল ব্যক্তি হিচাপে ভাষণ আগবঢ়ায়। শিক্ষাৰ অধিকাৰ আইনৰ বিষয়ত সমল ব্যক্তি ৰাজীৱ দত্তই ভাষণ দিয়ে। আকৌ শিশুৰ অধিকাৰ সুৰক্ষা বিষয়ত আৰক্ষীৰ ভুমিকা সম্পৰ্কে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ উপ মহাপৰিদৰ্শক ইন্দ্ৰানী বৰুৱাই ভাষণ আগবঢ়ায়। অনুস্থানত উপস্থিত থকা আৰক্ষী বিষয়া আৰু শিক্ষকৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে উপস্থিত সমল ব্যক্তি সকলে। দিব্যজ্যোতি শৰ্মাৰ শলাগৰ শৰাইৰে অনুষ্ঠানৰ সমাপ্তি ঘটে।

# ঠিকাভিত্তিক শিক্ষকৰ

(ট্ৰেন্সফাৰ)ৰ ক্ষেত্ৰত সৃষ্টি হোৱা কিছু বিভ্ৰান্তি সন্দৰ্ভতো স্পষ্ট কৰি কয় যে ষষ্ঠ অনুসূচীৰ অন্তৰ্গত এলেকাৰ পৰা পাৰস্পৰিক বদলিৰ বাবে আবেদন কৰিলে শিক্ষকগৰাকীয়ে পৰিষদীয় চৰকাৰৰ পৰা আপত্তিবিহীন প্ৰমাণ-পত্ৰ (এন অ' চি) সংগ্ৰহ কৰি প'ৰ্টেলত আপলোড কৰিব লাগিব। আনহাতে, সাধাৰণ প্ৰাৰ্থীৰ শিক্ষক এজনে অনুসূচিত জাতি (সংৰক্ষিত) পদৰ বিপৰীতে পাৰস্পৰিক বদলি হ'ব পাৰিব নে নোৱাৰে, তাক লৈও কিছু বিভ্ৰান্তি হৈছে যদিও এনে বদলি সম্ভৱ হ'ব।

# মহাৰাষ্ট্ৰত মুখ্যমন্ত্ৰী

বাবেও পদক্ষেপ গ্ৰহণ কৰিব বুলি তেওঁ কয়। এই অনুষ্ঠানটোত মুখ্যমন্ত্ৰীগৰাকীৰ লগত বিধায়ক মহেন্দ্ৰ থোৰাৱেৰ লগতে মুম্বাইৰ অসম এছ'চিয়েচন আৰু শ্ৰীময়ী অসমীয়া মহিলা সমাজৰ বিষয়ববীয়াসকলো উপস্থিত থাকে।

# এটা ধন্যবাদ দিব নোৱৰাৰ দুখ

স্মৃতিৰেখা সোণোৱাল শান্তিপুৰ, জিলিকনি চ'ক




চণ্ডিগড়ৰ পৰা ডিব্ৰুগড় অভিমুখী ৰেলখন মাত্ৰ পাঁচ মিনিট সময়ৰ বাবে ৰঙিয়া জংচনত ৰ'ব। "Where is my train" এপটোত দেখুৱাই আছে। প্লেটফৰ্ম নম্বৰ দুইত ৰেলখন ৰ'বহি সেয়াও এপটোৰ জৰিয়তে জনা গৈছে। নিৰাপত্তাৰ খাতিৰত ডবাকেইটামান সালসলনি কৰি ৰেলখন অৱশেষত প্লেটফৰ্ম নম্বৰ দুইৰ পৰিৱৰ্তে প্লেটফৰ্ম নম্বৰ একেৰে আহিল । সংঘামিত্ৰাই গধুৰ বেগ দুটা লৈ আনটো প্লেটফৰ্মলৈ গৈছে। বেগাই যাবও পৰা নাই। এনেতে এজন কুলিয়ে "চাওঁ মোক দিয়ক । মই নিদিওঁ ।" বুলি মাত দিলে।

"হ'ব নালাগে । মই পাৰিম।" তাইৰ চমু উত্তৰ।

"বাইদেউ, মই পইচা নলওঁ। এনেয়ে নিদিওঁ, দিয়ক।"- কুলিজনে তাই হাতৰ পৰা এটা বেগ আঁজুৰি ল'লে।

এটা বেগ সংঘামিত্ৰাই, আন এটা বেগ কুলিজনে লৈ দুয়ো নিৰ্দিষ্ট ডবাটোৰ ওচৰ পালেগৈ। তেখেতে দুয়োটা বেগ ডবাৰ ভিতৰলৈ সুমুৱাই দিলে । ৰেলখনে গতি ল'লে । কুলিজন ভিৰৰ মাজত হেৰাই গ'ল। মানুহজনক ধন্যবাদ এটা দিব নোৱৰাৰ দুখে সংঘমিত্ৰাৰ সুখী মনটোক পলকতে দুখী কৰি পেলালে । শ্ৰমৰ বাবদ কিবা দিয়াৰ সুযোগকণো হেৰুৱালে । অৱশেষত "এতিয়াও চৌপাশে ভাল মানুহ আছে!" এই কথাষাৰ ভাবিলে তাই সুখী হৈ পৰে।

# নগাওঁ আকাশবাণী কেন্দ্ৰত গীত পৰিৱেশনৰ অভিজ্ঞতা

শতাব্দী শৰ্মা,নগাওঁ

তেতিয়া মই হয়তো পঞ্চম — ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী আছিলোঁ। মই আৰ্ট শিকা স্কুলখনৰ এজন ছাৰ নগাওঁ আকাশবাণী কেন্দ্ৰৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আছিল। এদিন ছাৰে আৰ্ট ক্লাছৰ পৰা ওলাই আহোঁতে মোক মাতি পঠিয়াইছিল এটা অনুষ্ঠানৰ গীত বাণীবন্ধনৰ বাবে(অকণিৰ গীত মাত আছিল হ'বলা অনুষ্ঠানটো)। সেইদিনা কি বাৰ আছিল পাহৰিলোঁ কিন্তু মই পিতাৰ লগত আবেলি ৩-০০ মান বজাত নগাওঁৰ খুটিকটিয়াত অৱস্থিত আকাশবাণী কেন্দ্ৰ পাইছিলোগৈ। প্ৰথমবাৰৰ বাবে গীত পৰিৱেশন মোৰ বাবে এক স্বপ্ন হেন আছিল। বহুসংখ্যক ল'ৰা- ছোৱালী তাত সমবেত হৈছিল। মই সতীশ দাস দেৱৰ "আজি মেঘৰ মাদল বাজিলে" গীতটি পৰিৱেশন কৰিছিলো। খুব ভাল লাগিছিল মনটো সেইদিনা, যিদিনা মোৰ কণ্ঠ ৰেডিঅ'ত শুনা পাইছিলোঁ। তেতিয়া স্মৃতি সাঁচিবলৈ এতিয়াৰ দৰে স্ক্ৰীনটাছ মবাইল ফোন নাছিল ঠিকেই, কিন্তু স্মৃতি হৈ ৰৈ গ'ল সেই ক্ষণটি। ভাল লাগে যেতিয়া আজিও মনত পৰে, সেই দিনটো।

# "বিবাহ এক বান্ধোন"

হিমাদ্ৰী বৰকটকী
নগাঁও, অসম



বিবাহ এক পবিত্ৰ বান্ধোন । বিবাহ হ'ল দুটি মন এক হোৱা হৃদয় আৰু মনৰ বান্ধোন। এজনী - ছোৱালী শিক্ষা - দীক্ষা লৈ উপযুক্ত হোৱাৰ পিছত মাক - দেউতাকে উপযুক্ত পাত্ৰলৈ চাই বিয়া দিয়ে। যাতে দুয়ো মিলি সুখে - সন্তোষে থাকে। বহুত আশাৰে তেওঁলোকে নিজৰ মৰমৰ ছোৱালীজনী ল'ৰাটোৰ হাতত গতাই দিয়ে। আগৰ দিনত বিবাহ মানে এক পবিত্ৰ বান্ধোন । মাক দেউতাকে চাই যাৰ লগতে বিয়া দিয়ে তেওঁৰ লগতেই জীৱনটো কটাই । দুখ - সুখে জীৱনটো সেইজন পুৰুষৰ লগতে কটাই ছোৱালীজনীয়ে। আৰু সেইজন পুৰুষকেই ভাৱে লয় পতি পৰমেশ্বৰ বুলি। কিন্তু আজিকালি সেই দিন নাই। যুগৰ ও পৰিবৰ্তন হল। আজিকালি ল'ৰা - ছোৱালীয়ে শিক্ষা দীক্ষা লৈ নিজকে উপযুক্ত কৰি তোলে। আৰু নিজৰ ভৰিৰ ওপৰত থিয় দি নিজক প্ৰতিষ্ঠা কৰে। সিহঁতে নিজেই কি ভাল বেয়া বিচাৰ বিবেচনা কৰিব পাৰে। সেইকাৰণে আজিকালি ছোৱালী এজনীয়ে পঢ়া শুনা কৰি নিজৰ ভৰিৰ ওপৰত থিয় নোহোৱালৈকে বিয়াত নবহে । আজিকালি ল'ৰা - ছোৱালী চব সমান। ল'ৰা ও কৰ্ম ক্ষেত্ৰলৈ ওলাই যায় আৰু ছোৱালী ও যাই। দুয়োএ উপাৰ্জন কৰে।আগতে আজিকালিৰ নিচিনা নাছিল । আগতে পুৰুষ প্ৰধান আছিল । পুৰুষজনে বাহিৰলৈ গৈ উপাৰ্জন কৰি আনিছিল আৰু মহিলা সকলে ঘৰতে থাকি ঘৰৰ কাম বন কৰি ঘৰ আৰু সন্তানক চাইছিল। আজিকালিৰ নিচিনা নাছিল। খুব কম সংখ্যক মহিলাইহে নিজে উপাৰ্জন কৰিছিল। মন কৰিবলগীয়া কথা হ'ল যে, বৰ্তমান সময়ত বিবাহ বিচ্ছেদৰ সংখ্যা বাঢ়ি আহিব ধৰিছে। বিভিন্ন কাৰণত বিবাহ বিচ্ছেদ হবলৈ ধৰিছে। যাৰ ফলস্বৰূপে এখন ঘৰ ধ্বংস হৈ যাবলৈ ধৰে আৰু সন্তানৰ ওপৰত তাৰ বিৰূপ প্ৰভাৱ পৰে। যাৰ ফলত মাক দেউতাকৰ মৰমৰ পৰা তেওঁলোক বঞ্চিত হব লগা হয় । পতি পত্নীয়ে ভাবি নাচাই যে তেওঁলোকে কি কৰিবলৈ ধৰিছে। তেওঁলোকৰ এটা সিদ্ধান্তই এখন ঘৰ ঠনবান কৰি দিব পাৰে । কিহৰ কাৰণে এইবোৰ সমাজত হৈ আছে আমিও অজ্ঞাত। তথাপি সংসাৰ এখন খন ধৰি ৰাখিব পাৰিলে ভাল । পতি পত্নী দুয়োজনৰে বুজা পৰাৰে সংসাৰখন আগুৱাই নিলে দুখন ঘৰ থনবান হোৱাৰ পৰা ৰক্ষা পৰিব পাৰে।বিবাহ বিচ্ছেদেই সমস্যাৰ সমাধান নহয় এখন সংসাৰৰ । সেইকাৰণে বিবাহ বান্ধোনত সোমোৱাৰ আগতে ল'ৰা ছোৱালীয়ে ইজনে সিজনক ভালদৰে বুজি উঠি বিবাহ বান্ধোনত সোমাব লাগে। এখন সংসাৰ বৰ্তি থাকিবলৈ হ'লে ইজনে সিজনক জনাটো খুবেই প্ৰয়োজন। মানুহ মাত্ৰেই ভুল হয়েই, গতিকে পতি পত্নীয়ে তেওঁলোকৰ সমস্যা সমূহ আলোচনা বা বুজাবুজিৰ মাধ্যমেৰে সমাধান কৰিব পাৰিলে এখন সুখৰ সংসাৰ গঢ় দি উঠিব পাৰে।

# ফাগুনী

লক্ষী প্ৰসাদ ৰেগন



চাওঁ ওৰণিখন গুচাই দে
অ মোৰ চিনাকি ফাগুনীজনী
আছেনে তোৰ
তাহানিৰ সেই ৰং
আছেনে তোৰ ওঁঠত তাহানিৰ সেই মিঠা হাঁহি
এৰা, সৰাপাতবোৰৰ স'তেও যে তোৰ কি চুপতি
ৰঙা শিমলুৰ হাঁহিবোৰো
তোৰ আগমনত অধিক প্ৰাণৱন্ত হয়।
বাটৰুৱাইচোন ভেবা লাগি চায়
সতেজ চাৱনি এটা বুকুত বান্ধি আশাশুধীয়া মন এটা লৈ
তই সঁচাই ভাগ্যৱতী অ ফাগুনী, সঁচাই ভাগ্যৱতী
গায়ক গায়িকা, কবি সাহিত্যিক আটায়ে
তোৰ প্ৰেমতে মতলীয়া

# 'মুম্বাই মোৰ ভেলেণ্টাইন'

দেৱীকা বৰপূজাৰী, মুম্বাই



প্ৰেম নো কি আচলতে, যিহৰ প্ৰতি আসক্ত, মোৰ বাবে সেয়াই প্ৰেম। ৰাতিপুৱা শুই উঠি বাহিৰৰ পৰা দেখা নীলা, ফৰকাল আকাশ, পদুলিৰ শেৱালি জোপাৰ মিঠা সুবাস আৰু মোৰ চোতালত উমলি জামলি থকা মেকুৰীৰ আঠ জনীয়া পৰিয়ালটো চাই যি আনন্দৰ অনুভৱ হয়, সেয়াই মোৰ বাবে প্ৰেম!

অসমৰ পৰাই হওক বা বিদেশৰ পৰা হওক, উৰা জাহাজখনে মুম্বাইৰ আকাশত বিচৰণ কৰিবলৈ লোৱাৰ লগে লগে মোৰ মনৰ মাজত যি শিহৰণ উঠে- সেয়াই প্ৰেম- সেয়াই ভেলেণ্টাইন। নহলেনো, চাফ চিকুণ ঠাইৰ পৰা আহি মুম্বাইৰ বাৰিষাৰ বাৰে মিহলি দুৰ্গন্ধ, বাৰে মিহলি ভাষাৰ চিঞৰ বাখৰ, বিমান বন্দৰৰ পৰা ঘৰ পোৱালৈকে থকা ট্ৰেফিক, বাটৰ দাঁতিৰ 'বৰা পাও', 'ভেল পুৰী'ৰ ষ্টল আদিয়ে মোক সোঁৱৰাই- যেনেকুৱাই নহওঁক, যিমান লেতেৰা আৰু জনবহুল হওক, এয়াই মোৰ হেঁপাহৰ চহৰ আৰু এয়াই মোৰ Home..মোৰ ভেলেণ্টাইন ।

কিমান ডাঙৰ এই মুম্বাই চহৰ, ভাবি অন্ত পোৱা নাযায়। উত্তৰ, পূব, দক্ষিণ, পশ্চিম মুম্বাই আৰু সিফালে নৱী মুম্বাইৰ বিস্তৃত এলেকা। মহাৰাষ্ট্ৰ ভাৰতৰ ভিতৰতে চহকী ৰাজ্য, সেইদৰে মুম্বাই ভাৰতৰ ভিতৰতে চহকী চহৰ। কিন্তু, ইয়াৰ জনসাধাৰণৰ easy going মানসিকতা তবধ মানিব লগীয়া। এইখিনিতে মুম্বাইৰ সবাতোকৈ চহকী লোকৰ প্ৰসাদোপম অট্টালিকা আকৌ সেইখিনিতে নীলা প্লাষ্টিক এখনেৰে ঢকা চাহৰ দোকান, য'ত নিয়মীয়া মজদুৰ সকলে পুৱাৰ চাহটোপাৰে নিজকে দিনটোলৈ জীপাল কৰি লয়। অলপ দূৰত শাক পাচলিৰ বজাৰ। ডাঙৰ দোকান, সৰু দোকান- সকলোৱে নিজৰ ভাগে কাম কৰি যায়-নাই কোনো ভেদাভেদ, নাই কোনো খিয়াল। সকলোকে স্বাগতম ; কিদৰে বাৰু এই চহৰৰ প্ৰেমত নপৰাকৈ থাকিব পাৰি ?

ফাইভ ষ্টাৰ হোটেলৰ খানাৰ লগত ফেৰ মাৰিব পৰাকৈ আছে- pao bhaji, bangda fry, vada pao, mutton dhansak, berry pulao, rava masala dosa, pani puri আৰু যে কত কি ! সূৰ্য্য ডুবা চাই চাই মেৰিন ড্ৰাইভত বহি কয়লাৰ চৌকাত পোৰা গোমধানৰ স্বাদ, জুহু বিছৰ কুহিয়াৰ ৰস আৰু ragda

*(ছয় পৃষ্ঠাত চাওক)*

# ৰুদ্ৰপ্ৰয়াগৰ নাহৰ- ফুটুকী আৰু মোৰ অনুভৱ



অঞ্জুমণি শইকীয়া
যোৰহাট

(গ্ৰন্থ - ৰুদ্ৰপ্ৰয়াগৰ নাহৰ-ফুটুকী
মূল লেখক - জিম কৰবেট
অনুবাদ - বিৰাজ চৌধুৰী
প্ৰকাশক - অনন্ত হাজৰিকা
বনলতা
পাণবজাৰ, গুৱাহাটী-১
মূল্য-৯০ টকা মাত্ৰ)


ৰুদ্ৰপ্ৰয়াগৰ গাঢ়োৱালৰ পাঁচশ বৰ্গমাইলৰ এক বিস্তৃত পাহাৰীয়া অঞ্চলত ১৯১৮ চনৰ পৰা ১৯২৬ চনলৈকে (৮ বছৰ) এই নৰখাদক নাহৰ- ফুটুকীটোৱে বহুত মানুহক হত্যা কৰিছিল । ১৯২৫ চনত নাইনিতালৰ চালে ( Chalet ) থিয়েটাৰৰ গিলবাৰ্ট আৰু চালিভানৰ "ইয়োমেন অব দি গাৰ্ড " নামৰ চিনেমাখন চোৱাৰ সময়তেই ৰুদ্ৰপ্ৰয়াগৰ নৰখাদক নাহৰ-ফুটুকীটোৰ বিষয়ে জিম কৰবেটে প্ৰথম সঠিক খবৰ পায়। তেতিয়ালৈ এই নাহৰ- ফুটুকীটো এশ বিশতাতকৈও অধিক নৰহত্যাৰ বাবে কুখ্যাত হৈছিল।

ছাৰ উইলিয়াম ইব্ ট্ চন, যুক্ত প্ৰদেশৰ গভৰ্ণৰৰ ভূতপূৰ্ব উপদেষ্টা, গাঢ়োৱালৰ ডেপুটি কমিচনাৰ হৈ তেওঁৰ জিলাৰ অধিবাসীসকলক নৰখাদকটোৰ হাতৰ পৰা মুক্ত কৰিবলৈ জিম কৰবেটক চিঠি দি মাতে । সেই সময়ত এই নৰখাদকটোৱে সৃষ্টি কৰা ভয়াবহ পৰিবেশৰ কথা গোটেই পৃথিৱীৰ বাতৰি কাকতত এক অভূতপূৰ্ব আলোড়ন তুলিছিল জিম কৰবেটে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি এই নৰখাদকটোক মাৰিবলৈ দিনে- ৰাতিয়ে জঙ্গলত ঘূৰিছিল। এনেকৈ ঘূৰোঁতে কেতিয়াবা নৰখাদটোৱে জিম কৰবেটক মনে মনে অনুসৰণ কৰিছিল। কিন্তু, অধিক সতৰ্ক হৈ থকাৰ বাবে তেওঁক নৰখাদকটোৱে মাৰিব পৰা নাছিল। ১৯২৬ চনৰ ২ মে' ৰ দিনা জিম কৰবেটে ৰুদ্ৰপ্ৰয়াগৰ নাহৰ- ফুটুকীটোক গুলীয়াই মাৰে। নৰখাদক নাহৰ- ফুটুকীটোৰ শেষ মানুহ চিকাৰ আছিল ১৯২৬ চনৰ ১৪ এপ্ৰিল। সেই দিনটোত নাহৰ- ফুটুকীটোৱে এটি বাৰ বছৰীয়া ল'ৰাক আবেলি ঘৰৰ চোতালৰ পৰাই কামুৰি লৈ গৈছিল।

কল্পনা যেন লগা এক লোমহৰ্ষক সঁচা কাহিনীৰ গ্ৰন্থখন বাৰে বাৰে পঢ়িছো যদিও হেঁপাহ নপলায় ।

# ফাগুণ

পাৰ্থ প্ৰতিম শইকীয়া , বি.এ. তৃতীয় ষান্মাষিক



তেজৰঙা মদাৰ, শিমলুৰে
চৌপাশ এতিয়া বিনন্দীয়া ...
নহ'বই বা কিয় ?
এয়াইতো ফাগুণৰ বতৰা ।
তুমি যে কৈছিলা,
ফাগুণ হেনো তোমাৰ বৰ প্ৰিয়
মনত আছেনে ?
মৃদু সমীৰৰ বতাহজাকে জানোঁ আমাৰ মাজত
প্ৰণয়ৰ বা বলোৱা নাছিল ?
সেয়ে হয়তো এতিয়া মোৰো ফাগুণ ভাল লাগে
তোমাৰ দৰেই ।
শুষ্কতাৰ ধূলিয়ৰি আৱৰণৰ মাজতো
চৌপাশে সেন্দুৰীয়া আবিৰ,
মনবোৰ চঞ্চল
তথাপিও ফাগুণ ভালপোৱাৰ এসোপা আৱেগ গভীৰ ।
ফাগুণ হেনো নতুনত্বৰ প্ৰেমিক
ফাগুণতেই চলে বৰষাক আদৰাৰ আখৰা,
তুমি তুমি লগা ফাগুণৰ
প্ৰতিটো অনুভৱেই যে সুকীয়া ।
ফাগুণৰ দৰেই তুমিও বাউলী
মেঘালী চুলি মেলি
চৌপাশ ভ্ৰমি ফুৰাৰ কিমান যে প্ৰস্তুতি ।
লুইতো এতিয়া চৰ - চাপৰিৰে ভৰা
কঁহুৱা তুলা উৰা চাই মন হয় আপোন পাহৰা ।
ছিলাবোৰো ৰঙচঙীয়া
এমুঠি আশাৰে দিগন্ত চোৱাৰ কল্পনা ।
ফাগুণ তুমি
প্ৰণয়ৰ এটি মিঠা সুহুৰি
তুমিয়েই প্ৰেমৰ ৰাগিনী ।
ফাগুণ তুমি মিঠা প্ৰণয়ৰ বতাহ
ফাগুণ তুমি মিঠা আলাপৰ হেঁপাহ ।

# বন্ধুত্ব

ইহান ওৱাচবিৰ
গোলাঘাট বাণিজ্য মহাবিদ্যালয়



শীতৰ এটি মাজৰাতি ব্যস্ততা সামৰি দুই বন্ধু এতিয়া ভাত খোৱাৰ মেজত।

বন্ধুত্ব বোৰ এনেকুৱাই নেকি? শীতৰ সেমেকা জোনাক ক দুহাতে ঢাকিও বেটেৰীত বহি সি তাৰ ওচৰলৈ যায়।

# ডাউন টাউন হাস্পতালৰ বক্তৃতানুষ্ঠান

ৰঙিলী বাৰ্ত্তাসেৱা- ডাউন টাউন হাস্পতালে ৩৩ সংখ্যক বাৰ্ষিকী উপলক্ষে মহানগৰীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত 'কৈশোৰ অৱস্থাত আত্মহত্যাৰ প্ৰৱণতা' শীৰ্ষক ৩০ সংখ্যক ৰাজহুৱা বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। কাৰ্যবাহী পৰিচালক ময়ুৰাক্ষী দত্তই আদৰণি জনোৱাৰ লগতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ মনোৰোগ বিজ্ঞান বিভাগৰ অধ্যাপক ডাঃ সুৰেশ চক্ৰৱৰ্তীৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। বক্তৃতানুষ্ঠানত ডাঃ সুৰেশ চক্ৰৱৰ্তীয়ে কয়- অভিভাৱকসকলে তেওঁলোকৰ সন্তানৰ সৈতে সময় কটোৱাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগে। পৰিসাংখ্যিকভাৱে প্ৰতি ৩০ মিনিটত এটা শিশুৱে আত্মহত্যাৰ চেষ্টা কৰে। কিছুমান পৰিস্থিতিত দেখা যায় যে শিশু এটাই তেওঁলোকৰ জীৱন শেষ কৰিব বিচাৰিছিল, কিয়নো তেওঁলোকে তেওঁলোকৰ পিতৃ মাতৃৰ আশা পূৰণ কৰিব নোৱাৰিলে। ২০২২ বৰ্ষৰ বাবে ডাউন টাউন এৱাৰ্ড অৱ এক্সেলেঞ্চ ইন মেডিচিন' এক বিশেষ বঁটা প্ৰদান কৰে হাস্পতালৰ হৃদৰোগ বিশেষজ্ঞ ডাঃ ইন্দ্ৰ কুলাধিপতিক। এই বঁটাত আছে এটা সোনৰ পদক, এক লাখ টকাৰ লগতে এখন মানপত্ৰ আৰু স্মাৰক। অনুষ্ঠানত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ অস্ত্ৰোপচাৰ অধ্যাপক ডাঃ দীপক কুমাৰ শৰ্মাক প্ৰফেচাৰ যোগেশ মহন্ত সোঁৱৰণী বঁটা, পালমোনোলজিষ্ট ডাঃ মৈত্ৰেয়ী কলিতাক প্ৰফেচাৰ প্ৰতুল গোস্বামী সোঁৱৰণী বঁটা প্ৰদান কৰা হয়।লগতে প্ৰয়াত গোস্বামীৰ পৰিয়ালবৰ্গই ডাঃ গায়ত্ৰী গগৈক দহ হাজাৰ টকা আগবঢ়ায়। উক্ত



বঁটা সমূহ হাস্পতালৰ মেডিকেল ডিৰেক্টৰ ডাঃ বি কে গগৈ, প্ৰফেচাৰ বন্দনা দত্ত, মেডিকেল চুপাৰিনটেন্দত ডাঃ উদয়ন বৰুৱা আৰু অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ডঃ নাৰায়ন চন্দ্ৰ তালুকদাৰে প্ৰদান কৰে।



# "তোমাৰ স্মৃতিৰ সান্নিধ্যত"

বিশ্বজিৎ বৰা, গুৱাহাটী



আজি তোমালৈ মোৰ বাৰুকৈয়ে পৰিছে মনত
মনত পৰিছে তোমাৰ লগত পাৰ কৰা
মধুৰ স্মৃতিবোৰৰ কথা।
তোমাৰ জানো পৰেনে মনত মোলৈ কেতিয়াবা?
তুমি জানানে,
তুমি বিহীন জীৱন মই নোৱাৰো কটাব
আছে জড়িত তোমাৰ লগতে অলেখ আশা
অলেখ সপোন সযতনে ৰাখিছো বুকুত বান্ধি,
মোৰ কল্পনাৰ পৃথিৱীখনৰ অন্তত
লিখা আছে কেৱল তোমাৰেই নাম।
তুমি জানানে,
দুৰ আকাশৰ এটি ভোটা তৰাক চাই
মাগিছিলো মই তোমাক।
আৰু সঁচাকৈয়ে এন্ধাৰ ফালি এটি ভোটা তৰা হৈ
মোৰ জীৱনলৈ নমালা জোনাক।
পঠাই দিলে আকাশখনে তোমাক কেৱল মোৰ কাৰণে।
সান্নিধ্য তোমাৰেই এতিয়া বিচাৰো মই
সময়ৰ সোঁতক নোৱাৰো ৰাখিব ধৰি
ওলোটাই বোৱাবওটো নোৱাৰো মই।
পাৰিম তোমাক ভাল পাবলৈ
যুঁজ দিবলৈও সাজু এই পৃথিৱীখনৰ।
ব্যস্ত তোমাৰ জীৱন হ'লেও
মোৰ কাৰণে অলপ সময় উলাবনে আজি?
জীৱনৰ বিয়লি বেলাটো
কটালো অকলশৰেই,
নোৱাৰো এতিয়া আৰু থাকিব নিঃসংগে
মোৰ অভিমানী মনটোক বুজাব লাগিব তুমি আহি
নুশুনে সি কাৰোৰেই কথা আজি।।

# 'মুম্বাই মোৰ ভেলেণ্টাইন'

pattice, Bade miya ত মাজৰাতি গাড়ীত বহি খোৱা অপূৰ্ব সোৱাদৰ 'কিমা পৰঠা', Crawford market আৰু Linking ৰোড লৈ বজাৰ কৰিবলৈ যোৱা, গেটৱে অফ ইণ্ডিয়া আৰু তাজ হোটেলৰ চমকৰ লগতে সাগৰৰ ঢৌ গণি ভাল লগা- এইবোৰেই যদি ভাল লগাৰ সংখ্যাত পৰে, তেন্তে সেয়াই মোৰ প্ৰেম। তদুপৰি, BKC ৰ 'হাই এণ্ড' ৰেষ্টোৰা সমূহ, মহেশ লাঞ্চ হম ৰ বম্বে ডাক, থাই পেভিলিয়নৰ Tom yum soup আৰু JW Merriot ৰ sushi...য'তে যি মন যায় খাব পাৰি, জেপত কিমান আছে চাই, সেইমতে গলেই হ'ল। গোটেই সপ্তাহ খোলা, সকলোৰে মুখত মিচিকিয়া হাঁহি !

প্ৰেমত নপৰাকৈ পাৰি নেকি ?

মুম্বাই চহৰে অলফুলকৈ সাৱটি ধৰিছিল লতা মংগেস্কাৰৰ সুৰীয়া কণ্ঠ, ধীৰু ভাই আৰু জে আৰ ডি টাটাৰ দূৰদৃষ্টি, ৰাজ কাপুৰ, দিলীপ কুমাৰ, দেৱানন্দৰ পৰা অমিতাভ বচন আৰু ৰাহিদা ৰহমানৰ পৰা মাধুৰী দীক্ষিতৰ সাৱলীল অভিনয়লৈকে !

সকলো আছে মুম্বাইত। পৰোপকাৰী লোকৰ পৰা ঠগ প্ৰৱঞ্চক লৈকে। কাৰ ডীলাৰৰ পৰা কুলী লৈকে।

যিসকলে মুম্বাই ভাল পায় বা বেয়া পায় — কিন্তু এবাৰ আহিলে উভতি যাবলৈ টান পায়। যদিও ইয়াৰ বিভিন্ন মিল বোৰ গুচি 'মল' হ'ল, সাগৰৰ মাজত sea link হ'ল, দক্ষিণ মুম্বাইৰ ব্যৱসায়িক কেন্দ্ৰ বেছিভাগেই BKC লৈ আহিল বান্দ্ৰা ৰ Bandstand, Mount Mary Church লৈ গৈ আজিও কিন্তু সেই একে ভাল লগাই অন্তৰ স্পৰ্শ কৰি যায়।

এই লেখা তেওঁলোকলৈ- যিয়ে নিজক কৈ ভাল পায়, মুম্বাইকাৰ, মুম্বাইৱালা অথবা

Bombayites ! ভেলেণ্টাইন দিনৰ প্ৰেম জনালো মুম্বাই লৈ ।

"There is always some madness in love, but there is also always some reason for madness "

-Nietzsche -..

# স্তব্ধ নহওক ASTC এই যাত্ৰা

অভিজিত শেনচোৱা, শিৱসাগৰ জিলা




যাবলৈ ইচ্ছা অকণো নাই যদিও কালিয়ে দি থোৱা এলাৰ্মত সাৰ পাই উঠি লৰালৰিকৈ ওলাবলৈ ঠিৰাং কৰিলোঁ। বাহিৰত কিনকিনিয়া বৰষুণ ফেব্ৰুৱাৰী মাহত সাধাৰণতে ইমান ঠাণ্ডা পৰিব নালাগে যদিও আজি শ্বিলং-শিমলাত থকাৰ দৰে অতিপাত ঠাণ্ডা। শুই উঠিয়ে ইফালে-সিফালে এপাক চালোঁ, নাই কোনো নাই সকলো টোপনিৰ মজ্জা লোৱাত হয়তো ব্যস্ত। মই দেখি নকৰি লৰালৰিকৈ গৰম পানী কৰি গাটু ধুই কাপোৰ সাজ পিন্ধি ললোঁ। তাৰ মাজতে বাৰে বাৰে ঘড়ীটোলৈ চাই বুজিলোঁ তাই আহি পাবৰ হল, বেছি পৰ নাই। সেয়ে চাহ ভাত সকলো বাদ দি একো নোখোৱাকৈয়ে ৰাতিয়ে সাজু কৰি ৰখা বেগ আৰু ছাতিটো লৈ বাছ ষ্টপলৈ খোজ দিলোঁ। পিঠিত বেগ, এখন হাতত ছাতি লৈ মূল ৰাস্তা পালোগৈ। ৰাস্তাত নৰমনিষ এটাৰো সাক্ষাৎ নহল। লাহে লাহে বৰষুণ জাকো ঘন হবলৈ ধৰিলে। দীঘল দীঘল খোজেৰে বাছ আস্থান পাবলৈ মোৰ বেছি পৰ অৰশ্যে নালাগিল। বাছ আস্থান গৈ দেখোঁ আমাৰ আবেগ ৰঙা-বগা বাছ খন বীৰদৰ্পে থিয় হৈ আছে। অলপো অপেক্ষা নকৰি চিধাই দৌৰ মাৰিলো ASTC খনলৈ বুলি। সোমাইয়ে দেখোঁ গোটেই বাছ ফুল আনকি নালাগে পিছৰ ডিকীও মালবস্তু উঠাই ফুল। তেওঁ বুলি আজি মন বান্ধিছোঁ যেতিয়া যামেই বুলি ঠেলি হেঁচি সোমাই নিজৰ ঠাই অধিকাৰ কৰি বহিলোঁ। বহিলোঁ মানে কেবিনত ইঞ্জিনৰ ওপৰৰ ড্ৰাইভাৰৰ বাওঁহাতে ৱিন্দশীল্ডৰ বিপৰীতফালে মুখ কৰি। বৰষুণৰ বতৰত ASTC ৰঙা বাছত যাত্ৰা, তাকো বহু বছৰৰ মূৰত, আনন্দ দুগুণে। যাত্ৰীৰ বাবে অৱশ্যে ৰব লগা ন'হল, যাত্ৰা আৰম্ভ হল। যাত্ৰা পথত বিশেষ কৰিবলগীয়া কাম নাছিল। কিন্তু হঠাতে এটা কথা জানিব মন গল। এই বাছখনৰ গৰাকী বাৰু কোন? জানিবলৈ মোবাইলত সদায় লৈ ফুৰা এপটোত বছখনৰ নম্বৰপ্লেট খন মাৰি চালোঁ। ৭ বছৰ পুৰণি বাছখন অসম চৰকাৰৰ। চালান এবাৰো খোৱা নাই যদিও ফিটনেছ ২০১৬ চনতে উৰিছে। সেইবোৰ চাই হোৱাত ভিতৰলৈ চকু ফুৰালোঁ। টাটাৰ চেচিচত বনোৱা নাইট চুপাৰ সদৃশ আৰামদায়ক চিটৰ বাছখন যে বহু দিন চাফা কৰা নাই সেয়া দেখিয়ে গম পাই। ছিটবোৰ হয়তো অনা দিনাখনৰ পৰাই ধোৱা হোৱা নাই। বডী আৰু কেবিনৰ জইন ৰুফৰ পৰা কিঞ্চিত কিঞ্চিত পানী সৰকিছে যদিও এইটো ইমান ডাঙৰ ইচ্ছু নহয়। ৰাইপাৰ মাথোঁ এড়ালহে। হৰ্ণটুও দুডাল টাৰ লগ লগালেহে বাজে। মুঠতে আমাৰ সাধাৰণ মানুহৰ ভাষাত "চলি আছে যেনেতেনে"। তেওঁবুলি বাছখনত যাত্ৰীৰ সংখ্যা দেখি মনটো ভাল লাগিল। ভিতৰত আঙুলি ভৰাবলৈকো ঠাইৰ অভাৱ। আনকি আলৰ বুঢ়া-বুঢ়ীও কেবিনত ড্ৰাইভাৰৰ সৈতে। তাৰো উপৰি ভাল লাগিল টিকেট দিয়াৰ ব্যৱস্থাটু ডিজিটেল পদ্ধতিৰে টিকেট দিয়াৰ ব্যৱস্থা। না দৰ-দাম না কথাৰ কটা-কটি না পইচা ফাঁক মৰাৰ সুবিধা। এইটো চিষ্টেম দেখি ভাল লাগিল। বৰষুণৰ বতৰত যাত্ৰা সন্মুখৰ গ্লাছৰ ভিতৰপিনেও কিছু পানী সৰকিছে। ড্ৰাইভাৰ জনে সময় সুবিধা বুজি মচিছে যদিও গোটেইখন মুচিব পৰা নাই। তাকে দেখি কেবিনৰ এজন যাত্ৰীয়ে নিজে ড্ৰাইভাৰ জনৰ পৰা গ্লাছ মোহৰা কাপোৰখন লৈ ৱিন্দশ্বিল্ড খন মোহাৰি ড্ৰাইভাৰ জনক সহায় কৰা দেখি ভাল লাগিল। এনেদৰে ঠিক কেবিনৰ ইপাৰৰ জগত খনৰ সৈতে লগ হৈ আহি থাকোঁতে কেতিয়া নিজৰ গন্তব্য স্থান পালোহি সেয়া হেণ্ডিমেন জনে কোৱাতহে গম পালোঁ। নামিবৰ পৰত আজি নিজে নিজে মুখৰ পৰা হেণ্ডিমেন জনক উদ্দেশ্যি ওলাই আহিল "যাব দেই"। তেওঁও হয়তো এইষাৰ কথা আশা কৰা নাছিল। তেওঁও প্ৰত্যুত্তৰত মিচিকিয়াই হাঁহি উত্তৰ দিলে "উম, দিয়া"। মোক এৰি সেই ৰঙা বগা বাছে আকৌ গতি ললে আন এক ষ্টপেজলৈ লৈ। বাছখন যোৱাৰ সিপাৰত দেখা পালোঁ বৰষুণৰ মাজতে ৰৈ থকা তাইক। মনে মনে নিজেকে কলো 'স্তব্ধ নহওক ASTC ৰ এই যাত্ৰা'।।

# শ্মশান

পংকজ ৰাজ



তুমি যদি মোক প্ৰশ্ন কৰা আটাইতকৈ বেছি শান্তিৰ ঠাই কি? মই কম শ্মশান! কাৰণ শ্মশানতকৈ উত্তম ঠাই কি হ'ব পাৰে? য'ত প্ৰাতঃৰ পৰা নৈশলৈকে মন আৰু মগজু জিৰণি লয় উশৃংখল জগত এৰি! মৰিশালী! মৰিশালী শৰীৰ লয় যেতিয়া ঘূৰি আহো ঘৰলৈ তুমিও বুজি নোপোৱা হাওঁফাওঁৰ ধপধনিয়ে কি সূচায়! বিশ্ৰাম বিছনাত অকল মগজুৰ বাবে, কিন্তু শৰীৰৰ বাবে শ্মশান! ৰাতিৰ নিৰ্জনতাত যেতিয়া শ্মশানলৈ যাবা শ্মশানে ক'ব বুকুৰ ধপধনিৰ অৰ্থ! যেতিয়া বহি থাকিবা সজাই দিব শীতল মস্তিষ্ক!! আৰু তুমি যদি দেখা পোৱা জুইৰ মাজত শুই থকা এটা শৰীৰ, শ্মশানে বুজাব জীৱনৰ অৰ্থ! যদি তুমি প্ৰশ্ন কৰা তোমাৰ অনুপস্থিতত মই ক'ত বিচাৰি পাম আমাৰ হৃদয়ংগম কথাবোৰ? তাৰো উত্তৰ হ'ব শ্মশান!! কাৰণ শ্মশানো এখন ঘৰ য'ত জীয়াই থাকে শান্তি, মৌনতা আৰু বহু আশা!!


জনতাৰ চৰকাৰ
my GOV
मेरी सरकार
ই-টিকেটিং ব্যৱস্থা
উমানন্দ ফেৰী সেৱাৰ বাবে
সহজ আৰু সুবিধাজনক টিকট বুকিং
ছপাবিহীন টিকটেৰে পৰিৱেশ অনুকূল বুকিং ব্যৱস্থা
ঘাটৰ কাউণ্টাৰত যাত্ৰীৰ সমাগম হ্ৰাস
ৰাজহ লোকচান নিয়ন্ত্ৰণ
ই-টিকট কেনেদৰে লাভ কৰিব?
asiwt.in ত ম'বাইল নম্বৰৰ জৰিয়তে পঞ্জীয়ন কৰক
ব্যক্তিগত বিৱৰণ প্ৰদান কৰক
যাত্ৰাৰ তাৰিখ, উৎস আৰু গন্তব্যস্থান বাছনি কৰক
ফেৰী বাছনি কৰি যাত্ৰীৰ বিৱৰণ যোগ দিয়ক আৰু মূল্য পৰিশোধ কৰক
ই-টিকট ডাউনলোড কৰক
হেল্পলাইন নম্বৰ
1800-889-4717
JANASANYOG-3562/21
পঞ্জীয়ন কৰক
assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

৭ ফাগুন, ১৪২৭ চন Rongili Barta, Date of Publication-- 20 February, 2022

# ফাগুন

শিখা গোস্বামী মহন্ত



আৰুবেলি উৰি আহিছিল এখন চিলা
পলাশ আৰু মদাৰৰে ৰঙোৱা
সূতাত মেৰিয়াই এটা ভালপোৱাৰ কবিতা
ৰঙা কাপোৰ পিন্ধি নোলাবা পাৰ্বতী
বাহিৰত ফাগুন
চঞ্চল বা
চুলিত বাহ বান্ধিব জঁটীয়া
এখুজি দুখুজিকৈ পাৰি দিয়া বাটত ৰঙাৰ চাদৰ
গছৰ পাত সৰুৱাই কান্দি মৰে কোন
বাউলী ফাগুন
এইবেলি আহিল এখন চিঠি
চিলা হৈ চিঠিৰ ঠিকনা
আকাশলৈ চোৱা
চৰাই হৈ উৰিছে চিঠিৰ কথা
ফাগুনক জানো বান্ধিব পাৰি

# Free Textbooks distribution programme inaugurated by Education Minister




Guwahati RB News: Minister for Education Dr. Ranoj Pegu, inaugurated the ceremonial dispatch of free textbooks for the academic session 2022-23 at Assam State Textbook Production and Publication Corporation (ASTPPC) Ltd textbooks godown at Bonda, Narengi today. Speaking on the occasion, Dr. Pegu said that the Government is committed to ensure free education for all students studying in government and provincialized schools. He appreciated the efforts of the officers and staff of ASTPPC who successfully carried out the herculean task of publishing these textbooks on time and ensuring smooth distribution of the same to all districts. The Minister ceremoniously flagged of several vehicles carrying these free text book to various districts on the occasion. It may be noted that altogether 3,22,58,564 copies of text books in 9 mediums and 19 languages will be delivered across 34 districts and 149 education blocks of Assam. This will benefit approximately 62 lakh students. Dr. Nanigopal Mahanta, Education Adviser to the Government of Assam and other senior officers of Education department were also present in the occasion.

# Sometimes I feel

Mayurakshi Baishya
UG 1st Semester,BA,Cotton University



Sometimes I feel alone in
the miseries of world
The problem, miseries that
the society have mould.
Sometimes I feel trapped
in various issues
The issues that can't be
solved without clues.
Sometimes I feel barden..
in this mysterious society
That come at every phase
with high compleuity....
Sometimes I feel to get
out from these risks
To enjoy my life
With peace.

# Government to constitute 10 th addition to Kaziranga National Park

Guwahati RB News: As per provision of section 35 of Wild Life (Protection) Act, 1972, the Government of Assam has declared its intention to constitute a definite area of land as National Park in the name of 10 th Addition to Kaziranga National Park. As such the Deputy Commissioner of Biswanath district has been appointed as Collector for the investigation and determination of claims, and extinguishment of rights in relation to the land within the described limits. The government has informed the Public to submit in the prescribed Proforma, the claims of any right of any person in or over the land comprised within the limit of the 10 th Addition to Kaziranga National Park, to the Divisional Forest Officer, Biswanath Wildlife Division cum Deputy Director, Biswanath Chariali within 2 (Two) Months from the date of issue of the Proclamation. The ‘Claim Form’ [Form No.VIII, Assam Wildlife (Protection) Rules, 1997] may be obtained free of cost from the Divisional Forest Officer, Biswanath Wildlife Division cum Deputy Director, Biswanath Chariali during office working hours. For a detailed boundary description, the public may contact the same office. The northern boundary of the demarcated land runs from coordinates 26 0 45’21.70” N latitude & 93 0 17’7.29” E longitude in a northwest direction till it reaches coordinate 26 0 45’40.04” N latitude & 93 0 16271.16” E longitude. The eastern boundary starts from the south- east corner of Monabari afforestation centre at the border of the 6 th addition to KNP and runs along the boundary of Monabari Plantation in eastward direction. The southern boundary runs along the north bank of the Brahmaputra river following the northern boundary of the 6 th addition to KNP. On the other hand, the western boundary runs from NE coordinates towards a southwest direction, turning southeast and moving to southwest till it again meets the northern boundary the 6 th addition to KNP.

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286